**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
-----------

০০০০০০০

১।	প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩।	কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণক কেব চালকসকলে ভিন ভিন ভাৰা লোৱা বুলি উঠা অভিযোগৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে।

৪।	পাকিস্তান আৰু আফগানিস্তানৰ সীমা সুৰক্ষা বাহিনীৰ মাজত সীমান্ত চকীত হোৱা সংঘৰ্ষত কমেও ১৯ জন পাকিস্তানী সৈনিক আৰু তিনিজন আফগান নাগৰিকে প্ৰাণ হেৰুৱাইছে।

***আৰু***

৫।	ভাৰতে মেলবৰ্নত টেষ্টৰ আজি তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে ৯ টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ৩৫৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

বৃহস্পতিবাৰে নিশা ৯২ বছৰ বয়সত দেহাৰসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়। অন্ত্যেষ্টিক্ৰিয়াৰ পূৰ্বে শিখ পুৰোহিত আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে গুৰুবাণী পাঠ কৰে। সামৰিক অভিবাদনৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডা আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী, ৰাহুল গান্ধীৰ লগতে অন্যান্য নেতাসকলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি তৰ্পণ কৰে। স্থল সেনাধ্যক্ষ জেনেৰেল

উপেন্দ্ৰ দ্বিবেদী, নৌসেনাৰ মুৰববী এডমিৰেল দীনেশ কে ত্ৰিপাঠী, বায়ুসেনা মুৰববী এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং, ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুক আৰু মৰিচাচৰ বিদেশ মন্ত্ৰী ধনঞ্জয় ৰামফুলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ আগতে ডঃ মনমোহন সিঙৰ নশ্বৰ দেহ পুষ্পসজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয়। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত দলীয় নেতা-কৰ্মীসকলে প্ৰয়াত নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰয়াত প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কৰা অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ইয়াৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্ত লয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড।  এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব ডবা চেম্পিয়ন ডি গুকেশ আৰু তেওঁৰ পিতৃ-মাতৃক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ গৌৰৱ গুকেশৰ আত্ম-বিশ্বাস সঁচাকৈ অনুপ্ৰেৰণাদায়ক। সাক্ষাৎকালত যোগাভ্যাস আৰু ধ্যানৰ ৰূপান্তৰকাৰী সম্ভাৱনাৰ বিষয়ে আলোচনা কৰা বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। উল্লেখযোগ্য, যে চেন্নাইত জন্ম গ্ৰহণ কৰা গুকেশে অলপতে চীনৰ গ্ৰেণ্ড মাষ্টাৰ ডিং লিৰেনক পৰাস্ত কৰি বিশ্ব ডবা চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে। ১৮ বছৰীয়া গুকেশ এই খিতাপ অৰ্জন কৰা কনিষ্ঠতম খেলুৱৈ।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই বাহ্যিক সাহায্য অবিহনে দুটা কৃত্ৰিম উপগ্ৰহৰ মাজত যোগসূত্ৰ স্থাপনৰ সামৰ্থ্য প্ৰদৰ্শনৰ উদ্দেশ্যে সোমবাৰে উৎক্ষেপণ কৰিবলগীয়া স্পেদেক্স অভিযানৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। মহাকাশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি এটা সাক্ষাৎকাৰত কয়, যে বছৰৰ শেষভাগত উৎক্ষেপণ কৰিবলগীয়া ইছৰোৰ এই অভিযান সঁচাকৈ ঐতিহাসিক, কাৰণ ইয়াৰ জৰিয়তে দুটাকৈ কৃত্ৰিম উপগ্ৰহৰ মাজত যোগসূত্ৰ স্থাপন কৰা হ'ব। এই অভিযানেৰে দুটা কৃত্ৰিম উপগ্ৰহৰ মাজত যোগসূত্ৰ স্থাপন কৰা বছা বছা দেশৰ মাজত ভাৰতৰ নামো অন্তৰ্ভুক্ত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে পি এছ এল ভি ৰকেটৰ সহায়ত সোমবাৰে এই উপগ্ৰহ দুটা উৎক্ষেপণ কৰা হ'ব।

০০০০০০০

দেৱা চুমাদো মুদাম নামৰ দুৰ্ধৰ্ষ নক্সালবাদীজনে কালি মহাৰাষ্ট্ৰৰ  গণ্ডিয়া জিলাত আৰক্ষীৰ ওচৰত অস্ত্ৰ সম্বৰণ কৰে। ২৭ বছৰীয়া নক্সালবাদীজনৰ সম্ভেদ দিব পৰা লোকক ৭ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি পূৰ্বতে ঘোষণা কৰা হৈছিল।

0000000

মুম্বাইত অহা ১০ৰ পৰা ১৬ জানুৱাৰীলৈ একবিংশ থাৰ্ড আই এছিয়ান চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অন্ধেৰি, থানে, ছিয়ৰ লগতে কেইবাটাও স্থানৰ চলচ্চিত্ৰ গৃহসমূহত মুঠ ৬১ খন ছবি প্ৰদৰ্শন কৰা হ'ব। কাঞ্চ চলচ্চিত্ৰ মহোৎসৱৰ আনচাৰটেইন ৰিগাৰ্ড শাখাত শ্ৰেষ্ঠ ছবি হিচাপে সন্মানিত দ্যা ব্লেক ডগ শীৰ্ষক ছবিখনৰ প্ৰদৰ্শনেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। যশস্বী চিত্ৰনাট্যকাৰ আৰু গীতিকাৰ জাভেদ আখতাৰক এই মহোৎসৱত এছিয়ান ফিল্ম কালচাৰ বঁটাৰে সন্মানিত কৰা হ'ব। একেদৰে, সাংবাদিক ৰফিক বাগদাদিলৈ সত্যজিৎ ৰায় স্মাৰক বঁটা আগবঢ়োৱা হ'ব।

0000000

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণক কেব চালকসকলে ভিন ভিন ভাৰা লোৱা বুলি উঠা অভিযোগৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিছে। কেব চালকসকলে এণ্ড্ৰইড আৰু এপ্‌ল সঁজুলি ব্যৱহাৰকাৰীসকলৰ পৰা একেই যাত্ৰা পথৰ বাবে ভিন ভিন ভাৰা লোৱা বুলি অভিযোগ উঠিছে। শ্ৰীযোশীয়ে সামাজিক মাধ্যমযোগে কৈছে, যে তেওঁ কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণক এই ঘটনাৰ বিশদ তদন্ত কৰিবলৈ আৰু শীঘ্ৰেই প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ লগতে গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগক খাদ্য যোগানকাৰী এপ, অনলাইন টিকট বুকিং এপৰ দৰে অন্য খণ্ডৰ বিষয়সমূহো চালি-জাৰি চাবলৈ কোৱা বুলি জানিবলৈ দিছে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণকালত যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি তথা পৰৱৰ্তী সুৰক্ষা উপদেষ্টা মাইকেল ৱাল্টজক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ড০ জয়শংকৰে কয়, যে এই সাক্ষাৎকালত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰা আৰু সাম্প্ৰতিক বিশ্বৰ বিভিন্ন বিষয় লৈ বিস্তৃত আলোচনাত মিলিত হয়। ড০ জয়শংকৰে লগতে নেতাগৰাকীৰ সৈতে সহযোগিতাৰে কাম কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

0000000

দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই বেচৰকাৰী লোকে প্ৰস্তাৱিত মহিলা সন্মান যোজনাৰ বাবে দিল্লীৰ বাসিন্দাৰ ব্যক্তিগত সবিশেষ সংগ্ৰহ কৰা বুলি উঠা অভিযোগৰ তদন্তৰ নিৰ্দেশ দিছে। তেওঁ লগতে আৰক্ষী আয়ুক্তই নাগৰিকসকলৰ গোপনীয়তা ৰক্ষাৰ অধিকাৰ খৰ্ব কৰা ব্যক্তিসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীয়ে ক্ষেত্ৰ বিষয়াসকলক নিৰ্দেশ দিব পাৰে বুলি মন্তব্য কৰিছে। চৰকাৰী আঁচনিত ভুৱা পঞ্জীয়নৰ বাবে শিৱিৰৰ আয়োজন কৰা একাংশ ব্যক্তিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈও উপ ৰাজ্যপালে নিৰ্দেশ দিছে। তেওঁ নতুন দিল্লী বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী সন্দীপ দীক্ষিতৰ পৰা লাভ কৰা অভিযোগমৰ্মে এই তদন্তৰ নিৰ্দেশ দিছে বুলি জানিব পৰা গৈছে।

0000000

পাকিস্তান আৰু আফগানিস্তানৰ সীমা সুৰক্ষা বাহিনীৰ মাজত সীমান্ত চকীত আজি হোৱা সংঘৰ্ষত কমেও ১৯ জন পাকিস্তানী সৈনিক আৰু তিনিজন আফগান নাগৰিকে প্ৰাণ হেৰুৱায়। পাকিস্তান সীমান্তৱৰ্তী আফগানিস্তানৰ খোষ্ট আৰু পক্তিকা প্ৰদেশত এতিয়াও সংঘৰ্ষ অব্যাহত আছে বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে, আফগানিস্তানত সীমা সুৰক্ষা বাহিনীয়ে পাকিস্তানৰ কেইবাটাও সামৰিক চকীত অগ্নি সংযোগ কৰিছে। দণ্ড এ পাতন জিলাত পাকিস্তানী সৈনিকে নিক্ষেপ কৰা মৰ্টাৰৰ আঘাতত তিনিজন আফগান নাগৰিক নিহত হৈছে। পাকিস্তানী সৈন্যবাহিনীয়ে মঙলবাৰে নিশা পক্তিকা প্ৰদেশত চলোৱা বিমান আক্ৰমণত মহিলা-শিশুসহ ৫১ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ পাছত দুয়ো দেশৰ সীমান্ত সুৰক্ষা বাহিনীৰ মাজত এই সংঘৰ্ষৰ সূত্ৰপাত হৈছে।

০০০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে মেলবৰ্নত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্টৰ তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে আজি প্ৰথম ইনিংছত ৯ টা উইকেট হেৰুৱাই ৩৫৮ ৰাণ সংগ্ৰহ কৰে। ভাৰত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত ৪৭৪ ৰাণতকৈ বৰ্তমান ১১৬ ৰাণত পিছপৰি আছে। পোহৰ কম হোৱাৰ বাবে আজি খেল নিৰ্ধাৰিত সময়তকৈ কিছু পূৰ্বে সামৰিবলগীয়া হয়। দিনান্তত নীতিশ কুমাৰ ৰেড্ডী ১০৫ আৰু মহম্মদ চিৰাজ ২ ৰাণ কৰি খেলি আছিল। টেষ্ট ক্ৰিকেটত নীতিশ কুমাৰৰ এয়া হৈছে প্ৰথমটো শতক। ইয়াৰ পূৰ্বে ভাৰতে কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৬৪ ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে। এই পাঁচখনীয়া শৃংখলাত দুয়োটা দলে বৰ্তমানলৈকে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০০

ওড়িশাৰ ৰুৰকেলাত আজি ২০২৪-২৫ বৰ্ষৰ হকী ইণ্ডিয়া লীগ আৰম্ভ হ'ব। প্ৰাৰম্ভিক খেলত দিল্লী এছ জি পাইপাৰ্ছ দল গোনাচিকাৰ মুখামুখি হ'ব। খেলখন বীৰচা মুণ্ডা ষ্টেডিয়ামত নিশা ৮ বাজি ১৫ মিনিটত অনুষ্ঠিত হ'ব।

পুৰুষৰ শাখাৰ খেলসমূহ দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ খেলসমূহ আজিৰেপৰা ১৮ জানুৱাৰীলৈকে অনুষ্ঠিত হ'ব। এই পৰ্যায়ত প্ৰতিটো দলে পৰস্পৰৰ বিৰুদ্ধে খেলিব। দ্বিতীয় পৰ্যায়ৰ খেলসমূহ ১৯ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা বছৰৰ ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত